# ইউক্ৰেইনৰ শেহতীয়া পৰিস্থিতি ।

মাৰ্চ ০৬,২০১৪

ভাৰতে ইউক্ৰেইনত শেহতীয়া ভাৱে সংঘটিত পৰিস্থিতি সম্পৰ্কে নিকটতম ভাৱে নজৰ ৰাখিছে । ইউক্ৰেইনৰ চৰকাৰৰ ভিতৰ চৰাত হোৱা সালসলনি আৰু বহুসংখ্যক নিৰিহ জনসাধাৰনৰ জীৱন নাশৰ কৰুণ ঘটনাৰাজি ভাৰতে নজৰ ৰখা শেহতীয়া পৰিস্থিতিত অন্তৰ্ভুক্ত হৈ আছে ।ইউক্ৰেইনত বৃদ্ধি হোৱা উত্তেজনাৰ বাবে বিশেষকৈ ইউক্ৰেইনৰ বিভিন্ন অঞ্চলত বসবাস কৰি থকা ৪০০০ ভাৰতীয় ছাত্ৰ-ছাত্ৰীকে ধৰি ৫০০০ ভাৰতীয় নাগৰিকৰ উপস্থিতিৰ বাবে আমি বিশেষভাৱে চিন্তিত হৈছো । শেহতীয়া ভাৱে ইউক্ৰেইনত উত্তেজনা শাম কটাৰ বাবে কৰা প্ৰচেষ্টাক আদৰনি জনোৱাৰ লগতে ইউক্ৰেইনৰ সকলো বৰ্গৰ জনসাধাৰনৰ আশা আকাংশাক ফলপ্ৰসু  কৰিব পৰা কৈ যাতে ইউক্ৰেইনৰ আৰ্ন্তৰতী সমস্যাৰ সমাধান হওক তাৰেই আশা কৰিছো । এইটো গুৰুত্বপূৰ্ণ যে আইনী গনন্ত্ৰাতিক প্ৰক্ৰিয়াৰ জৰিয়তে  নিকা আৰু স্বচ্ছ নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ  জনসাধাৰনৰ সম্পূৰ্ণ প্ৰকাশৰ যোগেদিহে এখন সকলো দিশ সামৰি সমাজ গঢ়াটো সম্ভৱ হয় ।ইউক্ৰেইন আৰু চুবিৰীয়া দেশসমুহৰ মাজত গাঠনিক আলোচনাৰ মাজেৰে সমস্যা সমুহৰ সমাধান হোৱাৰ বাবে ভাৰতে নিষ্ঠা আৰু অবিৰত থকা কূটনৈতিক প্ৰচেষ্টাৰ জৰিয়তে আহ্বান জনাইছে ।

নতুন দিল্লী

মাৰ্চ ৬,২০১৪